...াত

...দিৱস

...ন এলেন স্পিলবাৰ্গৰ জন্ম

...বৰ্ষা দত্তৰ জন্ম

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

(ডিব্ৰুগড় সংস্কৰণ/DIBR...

...৪৭ শক ☐ ১৮ ডিচেম্বৰ ২০২৫ চন ☐ VOL-15 ☐ NO-282 ☐ THURSDAY 18 DECEMBER 2025

## কানৈ মহাবিদ্যালয়ত ড° বাণীকান্ত কাকতি মেধা বঁটা বিতৰণী অনুষ্ঠান

# শিকাৰ কোনো বয়স নাই শিকাৰ কোনো পৰিধি নাই ঃ মন্ত্ৰী প্ৰশান্ত ফুকন

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৭ ডিচেম্বৰ ঃ শিকাৰ কোনো বয়স নাই, শিকাৰ কোনো পৰিধি নাই। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ 'মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ 'ড° বাণীকান্ত কাকতি মেধা বঁটা বিতৰণী-২০২৫' উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ শক্তি, দক্ষতা, নিয়োগ আৰু উদ্যোগ, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে আজি এইদৰে কয়। মন্ত্ৰীগৰাকীয়ে লগতে আৰু কয়— ৰে'ল ষ্টেচনৰ চিৰিট উঠাটোৱেই হ'ল মানুহৰ জীৱন। মানুহৰ জীৱনটোত সমাজখনৰ বাবে কৰিব লাগিব আৰু নিজৰ কাৰণেও কৰিব লাগিব। তেওঁ কয়— কেৱল পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ কৰি ভবেন্দ্ৰনাথ শইকীয়াক চিনি নাপাও বুলি কৈ অসমৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰিলেও সেয়া প্ৰকৃত শিক্ষা নহয়। মন্ত্ৰী ফুকনে কয়— আমি সমাজৰ প্ৰত্যেকটো স্তৰৰ প্ৰত্যেকটো আহ্বান, প্ৰত্যেকটো প্ৰত্যাহ্বান শিকিবই লাগিব, জানিবই লাগিব আৰু গ্ৰহণ কৰিবই লাগিব, নহ'লে জীৱনটোৱে কেতিয়াও শ্ৰেষ্ঠত্ব লাভ কৰিব নোৱাৰে। মুখ্যদ্বাৰৰ পৰা ধূপ-ধুনাৰে আৰতি কৰি গায়ন-বায়ন আৰু এন চি চিৰ কেডেটে উষ্ম আদৰণি জনাই সভাগৃহলৈ অনা সভাখনত মন্ত্ৰী ফুকনে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এই অভিলাসী আঁচনিখনে আধাতে শিক্ষা সাং কৰা ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা আৰু বাল্য বিবাহ ৰোধ কৰাত অধিক ফলপ্ৰসু ভূমিকা পালন কৰিব বুলি মত প্ৰকাশ কৰে। অধ্যাপিকা ড° সুদৰ্শনা বৰাই আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰে। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে অসম চৰকাৰৰ এই অভিলাসী আঁচনিখনক ভূয়সী প্ৰশংসা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে এই আঁচনিখনৰ জড়িয়তে বহুখিনি উপকৃত হ'ব বুলি মত প্ৰকাশ কৰে। আজিৰ এই অনুষ্ঠানতে কেবিনেট মন্ত্ৰী ফুকনে ডিব্ৰুগড় জিলাৰ ২৮২ ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে 'ড° বাণীকান্ত কাকতি মেধা বঁটা-২০২৫'-ৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, অধ্যাপক আদিত্য দাহাল, অধ্যাপক ড° অপূৰ্ব দত্তকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে অনুষ্ঠানৰ লগত সংগতি ৰাখি মন্ত্ৰী ফুকনক ফুলাম গামোচা, মান পত্ৰ আৰু অনুষ্ঠানৰ স্মৃতি বিজৰিত এখন স্থিৰ চিত্ৰৰে উষ্ম আদৰণি জনোৱা হয়।

